# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 15-01-2026

**Time :** 0755 Hrs.

# *Assamese Morning Bulletin*

০০০০০০০

আজি পহিলা মাঘ। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন মঠ-মন্দিৰ, নামঘৰকে ধৰি ধৰ্মীয় স্থানসমূহত ভক্তপ্ৰাণ ৰাইজৰ ভিৰ পৰিলক্ষিত হৈছে। ৰাজ্যৰ বিভিন্ন ঠাইত আজি ভোগালী বিহুৰ অন্তিম দিন হিচাপে পালন কৰা হৈছে। ভোগৰ উৎসৱৰ সৈতে সংগতি ৰাখি পৰম্পৰাগত খেল-ধেমালিৰো আয়োজন কৰা হৈছে।

**নগাঁও** জিলাৰ নেহৰুবালিত কালিৰে পৰা ছদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা ১১৩ সংখ্যক ভোগালী বিহু উৎসৱৰ সৈতে সংগতি ৰাখি গ্ৰন্থ উন্মোচন, জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা আৰু শিশুসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাৰো আয়োজন কৰা হয়।

**কাৰ্বি আংলং** জিলাতো ভোগালী বিহুৰ উছাহ অব্যাহত আছে। পৰম্পৰাগত ৰীতি অনুযায়ী কালি জিলাখনৰ ৰাইজে সমূহীয়াভাৱে অগ্নি সেৱা কৰাৰ লগতে ডিফু ক্লাবৰ উদ্যোগত প্ৰীতি চাহ মেলৰ আয়োজন কৰা হয়। কণ কণ শিশুসকলৰ মাজত বিভিন্ন খেল-ধেমালিও অনুষ্ঠিত হয়।

**শিৱসাগৰ**তো আৰক্ষী ছাউনীত কৰ্তব্যৰত আৰক্ষীসকলে কামৰ দায়বদ্ধতাৰ মাজতে পৰম্পৰাগত ৰীতি-নীতি পালন কৰি ভোগালী বিহুৰ উছাহত অংশগ্ৰহণ কৰে।

সত্ৰ পীঠ **মাজুলী**তো শ্ৰীশ্ৰীদক্ষিণপাট, উত্তৰ কমলাবাৰী সত্ৰ, গড়মূৰ, আউনীআটীৰ দৰে সত্ৰসমূহৰ উদাসীন ভকত বৈষ্ণৱসকলেও পৰম্পৰা ৰক্ষা কৰি মেজি জ্বলাই ভোগালী বিহু উদযাপন কৰে। একেদৰে উত্তৰ মাজুলীৰ মিছিং জনগোষ্ঠীয় লোকসকলেও বোপা-ককাৰ দিনৰ ৰীতি-নীতি পালন কৰি ভোগৰ উৎসৱত অংশগ্ৰহণ কৰে।

একেদৰে **ডিব্ৰুগড়** জিলাতো বিপুল উৎসাহেৰে মাঘ বিহু পালন  কৰা হয়। জিলাখনৰ মটক জনগোষ্ঠীৰ প্ৰধান অঞ্চলসমূহত জনগোষ্ঠীটোৰ পৰম্পৰা অনুযায়ী কালি দিনৰ ভাগত ৰাজহুৱা ভোজৰ আয়োজন কৰা হয়। আজি জিলাখনৰ ক্ষেত্ৰবিশেষে বুঢ়ামেজি বা মতামেজী জ্বলোৱা হয়।

**বৰপেটা** জিলাত কালিৰে পৰা সত্ৰকেন্দ্ৰিক পৰম্পৰাৰে বিহু পালন কৰা হৈছে। বৰপেটা আৰু ইয়াৰ সমীপৱৰ্তী স্থানসমূহত কালি উৰুকা তথা স্থানীয় ভাষাত **গাতা ৰখা** উদযাপন কৰাৰ পাছত আজি পহিলা মাঘৰ দিনটোত মেজি জ্বলোৱা হৈছে। এই সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্ত

*-ভইচ কাষ্ট -*

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাং জিলাৰ বিজনীৰ বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। প্ৰায় ২০ হাজাৰ হিতাধিকাৰীক আজি চেক বিতৰণ কৰা হ'ব বুলি চিৰাং জিলা প্ৰশাসনৰ উদ্ধৃতিৰে আমাৰ সংবাদদাতাই জনাইছে।

৫ ফেব্ৰুৱাৰীৰ ভিতৰত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক মূলধন বিতৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ঘোষণা কৰে। ডিফুত কালি ২৫ হাজাৰ মহিলাৰ মাজত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে।

0000000

অসমৰ প্ৰতিথযথা সাংবাদিক, বিশিষ্ট লেখক, প্ৰান্তিক আলোচনীৰ সম্পাদক প্ৰদীপ বৰুৱাৰ নশ্বৰ দেহ আজি পুৱা চাৰে আঠ বজাত চিকিৎসালয়ৰ পৰা তেওঁৰ বাসভৱনলৈ অনা হ'ব। পুৱা ১১ বজাত নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। গুৱাহাটীৰ ডাউন টাউন হাস্পতালত বাৰ্ধক্যজনিত কাৰণত কালি দেহাৱসান ঘটা প্ৰদীপ বৰুৱাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৭ বছৰ।

১৯৩৮ চনত ডিব্ৰুগড়ত জন্মলাভ কৰা প্ৰদীপ বৰুৱাই গুৱাহাটীৰ ডনবস্কো বিদ্যালয়ৰ পৰা স্কুলীয়া শিক্ষা গ্ৰহণ কৰে আৰু কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ কণিষ্ঠ পুত্ৰ বৰুৱাই পিতৃৰ সৈতে ত্ৰিবিউন গোষ্ঠী আৰু সাহিত্য প্ৰকাশনৰ সৈতে জড়িত হৈছিল। ১৯৮১ চনৰ পহিলা ডিচেম্বৰৰ পৰা প্ৰখ্যাত সাহিত্যিক ভৱেন্দ্ৰ নাথ শইকীয়াৰ মুখ্য সম্পাদনাত প্ৰকাশ পোৱা প্ৰান্তিক আলোচনীৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল। মৃত্যুৰ সময়লৈকে তেওঁ প্ৰান্তিকৰ সম্পাদক আৰু প্ৰকাশক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। অসমীয়া সাহিত্য আৰু সাংবাদিকতালৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য বঁটাকে প্ৰমুখ্য কৰি বহুকেইটা বঁটা লাভ কৰিছিল। ২০২৪ বৰ্ষত তেওঁলৈ অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক আৰু আৰ্থসামাজিক ন্যাসে অসম জাতীয় বিদ্যালয় সন্মান আগবঢ়োৱাৰ লগতে তেওঁৰ জীৱন ভিত্তিক তথ্য চিত্ৰ প্ৰান্তিক নিৰ্মাণ কৰিছিল। ২০১৮ চনত তেওঁৰ আত্মজীৱনী স্বগতোক্তি প্ৰকাশ পাইছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰবীণ সাংবাদিকগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ পত্নী মায়া বৰুৱা আৰু এগৰাকী কন্যাক ইহসংসাৰত এৰি থৈ যায়।

0000000

**সমাপ্ত**